জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

কীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২০১ ● বুধবাৰ ● ১৭ চ'ত ● ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Wednesday April 1, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্র

## ডিব্ৰুগড়ত আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জী-দৰ্শন সন্মিলনত ড° বসন্ত কুমাৰ গোস্বামী

# 'ইতিহাসে কাকো ক্ষমা নকৰে'

ডিব্ৰুগড ঃ ষ্টাফ ৰিপৰ্টাৰ, ৩১ মাৰ্চ ঃ 'ইতিহাস এনে এক মহাশক্তি, যিয়ে কেতিয়াও কাকো ক্ষমা নকৰে। পৃথিৱীৰ প্ৰতিজন মানুহেই বুৰঞ্জীৰ এটা অংশ।'— ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ বুৰঞ্জী আৰু দৰ্শন বিভাগৰ উদ্যোগত, অসম মহিলা বিশ্ববিদ্যালয়, যোৰহাট, ভাৰতীয় ইতিহাস সংকলন সমিতি, অসম আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত পোনপ্ৰথমবাৰৰ বাবে কানৈ মহাবিদ্যালয় (স্বায়ত্ত শাসিত)ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত অসম সাহিত্য সভাৰ আন্তঃৰাষ্ট্ৰীয় বুৰঞ্জী আৰু দৰ্শন সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত উদ্বোধক হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীয়ে আজি এইদৰে কয়। ব্যাপক উৎসাহ-উদ্দীপনাৰে

১১ পিঠিলৈ



## জামুগুৰিহাটৰ ধলাইবিলত গ্ৰন্থ উন্মোচন

উত্তৰ জামুগুৰি ঃ নিজা বাতৰি দিওঁতা, ৩১ মাৰ্চ ঃ শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ অন্যতম ধলাইবিলস্থিত উত্তৰ জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হৈ যায়। বিদ্যালয়খনৰ অধ্যক্ষ দীপ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উন্মোচক হিচাপে অংশ লয় শোণিতপুৰ

১১ পিঠিলৈ

উদ্বোধন কৰা হয়। নি কাৰ্যালয় উদ্বোধন কৰে চেঙা বিধানসভা সমষ্টিৰ ঐক্যমঞ্চৰ সমৰ্থিত কংগ্ৰে প্ৰাৰ্থী আব্দুৰ ৰহিম আহ কাৰ্যালয় মুকলিৰ প মাজদিয়া মণ্ডল কংগ্ৰেছ সভাপতি চিৰাজুল সভাপতিত্বত অনুষ্ঠিত হয় ভাষণ দি আব্দুৰ ৰহিম আ কেইবাটাও গুৰুত্বপূৰ্ণ কৰাৰ লগতে বিজেপি আৰু মুখ্যমন্ত্ৰী ড° হিম শৰ্মাক তীব্ৰ সমালোচনা হিমন্ত বিশ্ব শৰ্মাই মেৰু বিভ ৰাজনীতি, সাম্প্ৰদ ৰাজনীতি,

৮ পিঠি

